ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয়,
অচ্যুৎ প্লাজা, প্ৰথম মহল, ভৰলুপাৰ, ভঙ্গাগড়, গুৱাহাটী-৫ ।

স্মাৰক নং এছপিএমইউ/এন আৰ চি/মে:ৰিপোৰ্ট(ৰিজইন্দাৰ)/৩২১/২০১৬/ ৪০ তাং ২৭-০২-১৮

প্ৰেৰক : শ্ৰী প্ৰতীক হাজেলা, আই.এ.এছ ।
ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী
অসম।

প্ৰতি : সম্পাদক,
অসমীয়া প্ৰতিদিন,
চান্দমাৰী, গুৱাহাটী-৩।

বিষয় : স্পষ্টীকৰণ প্ৰকাশৰ বাবে অনুৰোধ ।

প্ৰসঙ্গ : ২৪-০২-১৮ তাৰিখৰ "অসমীয়া প্ৰতিদিন" কাকতত 'এন আৰ চি'ৰ খচৰাত চাৰি হেজাৰ বাংলাদেশী' শীৰ্ষক বাতৰি দ্ৰষ্টব্য ।

মহোদয়,

জনহিতৰ প্ৰতি লক্ষ্য ৰাখি প্ৰসঙ্গ নিৰ্দ্দেশত উল্লেখিত বাতৰিৰ সন্দৰ্ভত আপোনাৰ জনপ্ৰিয় "অসমীয়া প্ৰতিদিন" কাকতৰ প্ৰথম পৃষ্ঠাত তলত উল্লেখিত স্পষ্টীকৰণটো প্ৰকাশ কৰিবলৈ অনুৰোধ জনালো :

**<u>স্পষ্টীকৰণ :</u>**

যোৱা ২৪-০২-২০১৮ সংখ্যাৰ "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত 'এন আৰ চি'ৰ খচৰাত চাৰি হেজাৰ বাংলাদেশী' শীৰ্ষক বাতৰিটোৰ প্ৰতি ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষিত হৈছে। ৩১-১২-২০১৭ তাৰিখে প্ৰকাশিত আংশিক খচৰা এন আৰ চি'ত বিদেশী ন্যায়াধিকৰণৰ দ্বাৰা বিদেশী ঘোষিত ৩৫০০-৪০০০ বিদেশীয়ে নথি পত্ৰৰ জালিয়াতিৰে খচৰা এন আৰ চি'ত নাম অন্তৰ্ভূক্ত কৰিবলৈ সক্ষম হোৱা বুলি প্ৰচাৰিত বাতৰিটো সঁচা নহয়। বিদেশী ন্যায়াধিকৰণে ইতিমধ্যে 'বিদেশী' ঘোষনা কৰা কোনোবা লোকে এন আৰ চি'ত নাম অন্তৰ্ভূক্ত কৰিবলৈ তৎপৰ হোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি ব্যৱস্থা গ্ৰহণ কৰিছে যাৰ ফল স্বৰূপে, ৩১-১২-২০১৭ তাৰিখে মাজ ৰাতিৰ অন্তত আংশিক খচৰা এন আৰ চি প্ৰকাশ পোৱাৰ আগেয়ে এন আৰ চি কৰ্তৃপক্ষই সমগ্ৰ ৰাজ্যতে ৪২৫৯ জন এনে আবেদনকাৰীক চিনাক্ত কৰিবলৈ আৰু খচৰা এন আৰ চি'ত নাম অন্তৰ্ভূক্ত নোহোৱাটো নিশ্চিত কৰিবলৈ সক্ষম হয়। এন আৰ চি কৰ্তৃপক্ষই এখন বিদেশীমুক্ত শুদ্ধ এন আৰ চি প্ৰস্তুত কৰাৰ বাবে সকলো ধৰণৰ সাৱধানতা অৱলম্বন কৰিছে । সেয়েহে, এনে ধৰণৰ বাতৰিয়ে জনসাধাৰণৰ মনত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰাৰ আশংকা আছে।

ভৱদীয়,

ৰাজ্যিক সম্বনয়ক,ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী
অসম।

স্মা.নং এছ পি এম ইউ/এন আৰ চি/মে:ৰিপোৰ্ট/১৫৮/২০১৫/অং-১/৪০-ক তাং ২৭-০২-১৮

প্ৰতিলিপি জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল :

(১) ষ্টাফ অফিচাৰ, মূখ্য সচিব, অসম। বিষয়টো মূখ্য সচিব মহোদয়ক জ্ঞাত কৰিবলৈ তেখেতক অনুৰোধ কৰা হ'ল।

(২) সঞ্চালক, তথ্য আৰু জন সম্পৰ্কৰক্ষী বিভাগ, অসম, দিচপুৰ, গুৱাহাটী-৬।

Sd

(প্ৰতীক হাজেলা,আই.এ.এছ)
ৰাজ্যিক সমন্বয়ক,ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী
অসম।

অসমীয়া প্ৰতিদিন

বিদেশীমুক্ত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ পূৰ্ণ প্ৰস্তুতিৰ মাজতে বিস্ফোৰক তথ্য পোহৰলৈ

# এন আৰ চিৰ খচৰাত চাৰি হেজাৰ বাংলাদেশী

**উদ্বিগ্ন এন আৰ চি কৰ্তৃপক্ষৰ বৰপেটা, ধুবুৰী, গোৱালপাৰাসহ কেইবাখনো জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, নিৰ্বাচনী বিষয়ালৈ জৰুৰী পত্ৰ ঃ সমগ্ৰ বিষয়টো তদন্ত কৰি ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ**



**প্ৰতিদিন সংবাদ, গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** অসমীয়া জাতি ৰক্ষাৰ দলিল হিচাপে আখ্যায়িত কৰা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীয়ে (এন আৰ চি) সঁচাকৈয়ে এখন বিদেশীমুক্ত অসম সম্ভৱ কৰি তুলিবনে? ইতিমধ্যে পূৰ্ণ গতিত ৰাজ্যত এন আৰ চি উন্নীতকৰণৰ কাম চলি থকাৰ পিচতো বিভিন্ন দল-সংগঠনে এন আৰ চিৰ জৰিয়তে বিদেশীয়েও স্বদেশী হোৱাৰ সুযোগ লাভ কৰিব বুলি ভিন্ন সময়ত মুকলিকৈ মন্তব্য প্ৰকাশ কৰিছে। আনকি পলাতক বিদেশীয়ে এন আৰ চিত ■ ১০ পৃষ্ঠাত

মন্ত্ৰী পল্লৱলোচনৰ ভূমিকাত ক্ষুণ্ণ বিল ক্লাৰ্ক, মিটাৰ ৰীডাৰ সন্থা

Continue reading on page 10

## এন আৰ চিৰ খচৰাত চাৰি হেজাৰ বাংলাদেশী

■ *প্ৰথম পৃষ্ঠাৰ পৰা* আবেদন কৰি কৌশলেৰে স্বদেশী হোৱাৰ সম্ভাৱনা, আশংকা ব্যক্ত কৰি আহিছে একাংশই। এনে সময়তে দল-সংগঠন, ব্যক্তিবিশেষৰ এনে সম্ভাৱনাক সত্য প্ৰমাণিত কৰি যোৱা ৩১ ডিচেম্বৰত প্ৰকাশ পোৱা প্ৰথমখন খচৰাতে অন্তৰ্ভুক্ত হৈছে কেইবাহেজাৰ 'বিদেশী'ৰ নাম। বিদেশী ন্যায়াধিকৰণৰ দ্বাৰা 'বিদেশী' ঘোষিত ৩,৫০০-৪,০০০ বিদেশীয়ে নথি-পত্ৰৰ জালিয়াতিৰে এন আৰ চি কৰ্তৃপক্ষৰ কটকটীয়া পৰীক্ষণ ব্যৱস্থাৰ মাজতো প্ৰথমখন খচৰাত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। অসম আৰক্ষীৰ এটা শীৰ্ষ সূত্ৰই আজি 'অসমীয়া প্ৰতিদিন'ৰ আগত এই উদ্বেগজনক তথ্য সদৰী কৰে। সূত্ৰটোৰ তথ্য অনুসৰি বিদেশী ন্যায়াধিকৰণে 'বিদেশী' হিচাপে ঘোষণা কৰাৰ পিচতে পলাতক অৱস্থাত থকা কেইবাহেজাৰ বিদেশীয়ে এন আৰ চিত নাম অন্তভুক্তিৰ বাবে আবেদন জনাইছিল। এনেদৰে আবেদন জনোৱা বহুসংখ্যক বিদেশীৰ নাম অৱশ্যে এন আৰ চি কৰ্তৃপক্ষই ধৰা পেলাবলৈ সক্ষম হয়। কিন্তু ইয়াৰ মাজতো ৩,৫০০ ৰ পৰা ৪,০০০ বিদেশীয়ে নথি-পত্ৰৰ ভিন্ন জাতিয়াতিৰে এন আৰ চিৰ প্ৰথমখন খচৰাত নাম সোমোৱাবলৈ সক্ষম হয়। সূত্ৰটোৰ মতে দ্বিতীয়খন খচৰা প্ৰকাশ কৰিবলৈ এন আৰ চি কৰ্তৃপক্ষই পূৰ্ণ গতিত কাম-কাজ চলাই থকাৰ মাজতে শেহতীয়াভাৱে প্ৰথমখন খচৰাত এনে বৃহৎসংখ্যক বিদেশীৰ নাম অন্তৰ্ভুক্ত হোৱাটো ধৰা পেলাইছে এন আৰ চি কৰ্তৃপক্ষই। উদ্বেগজনক আৰু গুৰুতৰ এই তথ্য পোহৰলৈ অহাৰ পিচত এতিয়া এন আৰ চি কৰ্তৃপক্ষই গোৱালপাৰা, ধুবুৰী, বৰপেটাকে ধৰি বহুকেইখন জিলাৰ আৰক্ষী অধীক্ষক (এছ পি) আৰু জিলা নিৰ্বাচনী বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰি সমগ্ৰ ঘটনা অৱগত কৰিছে আৰু বিষয়টোৰ তদন্ত কৰিবলৈ অনুৰোধ জনাইছে। ক'ত, কেনেদৰে জালিয়াতি কৰি বিদেশীয়ে এন আৰ চিৰ প্ৰথমখন খচৰাত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হ'ল, সেই সন্দৰ্ভত ব্যৱস্থা ল'বলৈ পত্ৰযোগে কোৱা হৈছে। সূত্ৰটোৱে সদৰী কৰা অনুসৰি এন আৰ চিৰ উন্নীতকৰণৰ কাম আৰম্ভ হোৱাৰ লগে লগে বিভিন্ন নথি-পত্ৰৰ জালিয়াতিৰে নাম অন্তৰ্ভুক্তিৰ চেষ্টা চলাইছিল বিদেশী তথা অবৈধ বাংলাদেশী নাগৰিকে। এনেদৰে বিদেশীয়েও এন আৰ চিত নাম অন্তৰ্ভুক্তিৰ চেষ্টা চলোৱাৰ এক অন্যতম উদাহৰণ হ'ল জহুৰা খাতুন। ২০০5 চনৰ ৬ জুনতে বিদেশী ঘোষিত হ'লেও আশ্চৰ্যজনকভাৱে তেওঁ লাভ কৰিছিল নিৰ্বাচন আয়োগৰ ভোটাৰ পৰিচয়পত্ৰ। অৰ্থাৎ খাতুনৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল। আন এক আশ্চৰ্যকৰ তথ্য হৈছে আধাৰ কাৰ্ডৰ বাবে আজিও অজস্ৰজনে হাবাথুৰি খাই থকাৰ মাজতে কিন্তু বিদেশী ন্যায়াধিকৰণৰ দ্বাৰা বিদেশী ঘোষিত জহুৰা খাতুনে আধাৰ কাৰ্ডপৰ্যন্ত লাভ কৰিছিল। গুৰুত্বপূৰ্ণ বিষয়টো হৈছে জালিয়াতিৰে লাভ কৰা এনে নথি-পত্ৰৰেই এন আৰ চিত নাম অন্তভুক্তিৰ বাবে আবেদন জনাইছিল জহুৰা খাতুনে। কিন্তু এন আৰ চি কৰ্তৃপক্ষৰ পুনৰীক্ষণত জহুৰা খাতুনৰ জালিয়াতি ধৰা পৰে আৰু এন আৰ চি খচৰাত নাম অন্তভুক্তিৰ আবেদন নাকচ হয়। স্বয়ং গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়াত ডব্লিউ পি (চি) ৭২২৮/২০১৭ নম্বৰৰ লেখ আবেদনখনৰ শুনানি কালত এন আৰ চিৰ ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাই প্ৰকাশ কৰিছিল যে জহুৰা খাতুনে এন আৰ চিত নাম অন্তভুক্তিৰ বাবে আবেদন জনাইছিল। কিন্তু ইতিমধ্যে বিদেশী ঘোষিত জহুৰা খাতুনৰ নাম এন আৰ চিৰ বাবে বাতিল কৰা হৈছে। সূত্ৰটোৰ তথ্যমতে এন আৰ চিৰ নথি-পত্ৰৰ প্ৰাৰম্ভিক পুনৰীক্ষণ যেতিয়া আৰম্ভ হৈছিল, তেতিয়াই ধৰা পৰিছিল ৬ সহস্ৰাধিক ভুৱা নথি-পত্ৰ। বৰপেটাত ৬২২ খন নথি-পত্ৰ ধৰা পৰাৰ লগতে গ্ৰেপ্তাৰ হৈছিল ২১ জনকৈ লোক। সৰ্বাধিক ভুৱা নথি-পত্ৰ উদ্ধাৰ হৈছিল নগাঁও জিলাত। সেই সময়ত জিলাখনত ১,১৭৫ খন ভুৱা নথি-পত্ৰ ধৰা পৰাৰ লগতে গ্ৰেপ্তাৰ হয় ১৫ জন লোক। এনেদৰে জিলাই জিলাই ভুৱা নথি-পত্ৰ ধৰা পৰিছিল এন আৰ চিৰ নথি-পত্ৰ পুনৰীক্ষণত। কিন্তু যথেষ্টসংখ্যক ভুৱা নথি-পত্ৰ ধৰা পৰিল যদিও ইয়াৰ মাজেদিয়েই অতি কৌশলেৰে ৩,৫০০ ৰ পৰা ৪,০০০ অবৈধ বিদেশী বা বাংলাদেশী নাগৰিকে এন আৰ চিৰ প্ৰথম খচৰাত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হয়। ইপিনে এন আৰ চিৰ দ্বিতীয়খন খচৰা প্ৰকাশ পাব ৩১ মে'ত। কিন্তু বৰ্তমানো পৰীক্ষা কৰিবলৈ বাকী আছে এক কোটি নথি-পত্ৰ। এনে পৰিস্থিতিত নিৰীক্ষণ ব্যৱস্থা অধিক কটকটীয়া নহ'লে জাতিৰ দলিল হিচাপে আখ্যায়িত কৰা এন আৰ চিত যে স্বদেশীৰ লগতে বিদেশীৰ নামো অন্তৰ্ভুক্ত হ'ব সেয়া শেহতীয়া ঘটনাই উদঙাই দিছে। উল্লেখ কৰা প্ৰয়োজন যে বিদেশী ন্যায়াধিকৰণে বিদেশী ঘোষণা কৰা প্ৰায় ৬০ হেজাৰ বিদেশী পলাতক অৱস্থাত আছে। একেদৰে ন্যায়াধিকৰণে বিদেশী ঘোষণা কৰা লোকেও ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হোৱাটো বিভিন্ন সময়ত ধৰা পৰিছে। চৰকাৰ-প্ৰশাসনৰ সোপাটিলা ব্যৱস্থাৰ পৰিণতিতে বিদেশীয়েও স্বদেশী হোৱাৰ অলেখ উদাহৰণ আছে। অৱশ্যে চৰকাৰ-প্ৰশাসনৰ বিদেশী সমস্যাক লৈ দুৰ্বল স্থিতিৰ বিপৰীতে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে এইক্ষেত্ৰত গ্ৰহণ কৰি আহিছে অতি কঠোৰ স্থিতি। ন্যায়ালয়ে নিজস্ব ক্ষেত্ৰসীমাৰ ভিতৰত গ্ৰহণ কৰি অহা কঠোৰ স্থিতিৰ সমান্তৰালভাৱে চৰকাৰ, প্ৰশাসন আৰু এন আৰ চি কৰ্তৃপক্ষ অধিক সজাগ-সচেতন নহ'লে এন আৰ চিত বিদেশীৰ নাম অধিক হাৰত সোমোৱাৰ সম্ভাৱনা প্ৰবল। লক্ষণীয় বিষয় যে বৰ্তমানো ৰাজ্যৰ ৩৪ খন জিলাত বিদেশী ন্যায়াধিকৰণত নিষ্পত্তি নোহোৱাকৈ পৰি আছে ২,০৪,৫৪৯ গোচৰ।